**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-08-2024
**Time :** 0900 Hrs

***<u>Assamese Morning Bulletin</u>***

**::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। ৰাজ্যত ভূমি সমস্যা সমাধানৰ বাবে অতি সোনকালে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায় আৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। আইজলত মিজোৰামৰ মুখ্যমন্ত্ৰীৰে বৈঠকত মিলিত হোৱাৰ পাছত দুয়োখন ৰাজ্যৰ সীমা সমস্যাৰ সমাধান যোগাত্মক দিশক আগবাঢ়িছে বুলি মন্ত্ৰী অতুল বৰাৰ প্ৰকাশ।

৩। বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতিৰ পাছত চৰাইদেউ মৈদামৰ গৱেষণাত গুৰুত্ব আৰোপ কৰা হ'ব বুলি প্ৰত্নতত্ব বিভাগৰ সঞ্চালক ড° দিপিলেখা কুলীৰ মন্তব্য।

*আৰু*

৪। বাংলাদেশৰ ৰাজনৈতিক অস্থিৰতাৰ মাজতে দেশখনৰ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ পদত্যাগ। সুৰক্ষা বিচাৰি হাজাৰ হিন্দু লোকৰ প্ৰতিবাদ অব্যাহত।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ ভূমি অধিকাৰৰ ফলপ্ৰসূ কাৰ্যসূচী মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায় শীঘ্ৰেই আৰম্ভ কৰিব বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। মিছন বসুন্ধৰাৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ ব্যাপক সফলতাৰ পাছত নিৰ্দিষ্ট সময়ৰ ভিতৰত বিভিন্ন ভূমি সম্পৰ্কে সেৱা আগবঢ়োৱা নিৰন্তৰ প্ৰক্ৰিয়া হিচাপে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায় আৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। এই পৰ্যায়ত মিছন বসুন্ধৰাৰ দ্বিতীয় পৰ্যায়ত বাতিল হোৱা আবেদনসমূহ পৰ্যালোচনা কৰা হ'ব।

০০০০০০০

ৰাজ্যৰ সীমান্ত সুৰক্ষা আৰু উন্নয়ন মন্ত্ৰী অতুল বৰাই মিজোৰাম আৰু অসমৰ মাজৰ আন্তঃৰাজ্যিক সীমাবিবাদ সমাধানৰ ক্ষেত্ৰত মিজোৰাম চৰকাৰৰ সহযোগিতা আৰু দায়বদ্ধতাৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰীগৰাকীক কৃতজ্ঞতা জনায়। মন্ত্ৰী শ্ৰী বৰাৰ নেতৃত্বত এটা প্ৰতিনিধি দলে কালি মিজোৰামৰ ৰাজধানী আইজলত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী লালডুহোমাক সাক্ষাৎ কৰে। এই বিষয়ে সামাজিক মাধ্যমযোগে শ্ৰী বৰাই কয় যে, সীমা সমস্যাৰ ক্ষেত্ৰত সোহাৰ্দ্যপূৰ্ণ সমাধান বিচাৰি উলিওৱাৰ দিশত মিজোৰামৰ মুখ্যমন্ত্ৰীগৰাকীৰ নিষ্ঠা প্ৰশংসনীয় আৰু ইয়াৰ জৰিয়তে অঞ্চলটোত স্থায়ী শান্তি আৰু প্ৰগতিৰ সূচনা হ'ব। মিজোৰামৰ মুখ্যমন্ত্ৰীৰ বিশেষ উদ্যোগ আৰু অসম চৰকাৰৰ তৎপৰতাত ৰাজ্য দুখনৰ মাজৰ সীমা সমস্যা সমাধান হ'ব বুলি শ্ৰী বৰাই আশা প্ৰকাশ কৰে। শ্ৰী বৰাই কয় যে, সীমা সমস্যা সমাধান হ'লে সীমান্তৰ ৰাইজে শান্তিৰে বসবাস কৰিবলৈ সক্ষম হ'ব। এই আলোচনাকালত ৰাজ্য চৰকাৰৰ সীমান্ত সুৰক্ষা বিভাগৰ শীৰ্ষ বিষয়াসকলৰ লগতে মিজোৰাম চৰকাৰৰ শীৰ্ষ বিষয়াৰ দল উপস্থিত থাকে।

০০০০০০০

ৰাজ্যৰ বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি কৰিমগঞ্জ ভ্ৰমণ কৰিব। মন্ত্ৰীগৰাকীয়ে দ্বিতীয় পৰ্যায়ৰ অমৃত বৃক্ষ আন্দোলন অভিযানৰ অধীনত জিলাখনত কৰিবলগীয়া গছ পুলি ৰোপনৰ অগ্ৰগতি সন্দৰ্ভত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন বৈঠকত মিলিত হ'ব। ইয়াৰ পাছত শ্ৰীপাটোৱাৰী হাইলাকান্দিলৈ ৰাওনা হ'ব।

০০০০০০০

ৰাজ্য চৰকাৰে বান সাহায্যৰ ক্ষীপ্ৰ আৰু সুচল বিতৰণৰ ক্ষেত্ৰত কিছু সংস্কাৰ সাধন কৰিছে। প্ৰাকৃতিক দুৰ্যোগৰ ফলত হোৱা ক্ষয়ক্ষতিৰ মূল্যায়ণৰ বাবে ৰাজহচক্ৰ পৰ্যায়ৰ এটা কৰ্মবাহিনী গঠন কৰা হৈছে যাতে দুৰ্যোগ সংঘটিত হোৱাৰ ১৫ দিনৰ ভিতৰতে পুনৰ সংস্থাপনৰ প্ৰস্তাৱ প্ৰস্তুত কৰি জিলা আয়ুক্তলৈ প্ৰেৰণ কৰিব পাৰে। জনমুখী প্ৰশাসনিক সংস্কাৰৰ প্ৰতি লক্ষ্য ৰাখি জিলা আয়ুক্তসকলক ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিৰ নিয়ম অনুসৰি বিনামূলীয়া খাদ্য-সাহাৰ্য্য, পুৰন সংস্থাপন অনুদান, কৃষি পশুপালন ইত্যাদিৰ ক্ষেত্ৰত ক্ষয়ক্ষতিৰ বাবে অনুদানকে ধৰি ধনৰ অনুমোদন আৰু বিতৰণ কৰাৰ বিত্তিয় ক্ষমতা অৰ্পণ কৰা হৈছে। জিলা আয়ুক্তসকলক প্ৰাকৃতিক দুৰ্যোগ সংঘটিত হোৱাৰ ৩০ দিনৰ ভিতৰত এনে অনুদান মঞ্জুৰ আৰু বিতৰণ কৰিবলৈ কোৱা হৈছে। আনহাতে ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিৰ শিতানত অন্তৰ্ভুক্ত নোহোৱা যিকোনো সাহায্য বিতৰণৰ বাবে মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰা জিলা আয়ুক্ত সকললৈ ১০ লাখ টকাৰ প্ৰাৰম্ভিক পুঁজি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০

বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে চৰাইদেউ মৈদামে স্বীকৃতি লাভ কৰাৰ পাছত ইয়াৰ পৰৱৰ্তী পদক্ষেপ হিচাপে বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠানৰ সৈতে এই সন্দৰ্ভত গৱেষণা প্ৰক্ৰিয়া আৰম্ভ কৰাত গুৰুত্ব আৰোপ কৰা। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ কালি প্ৰচাৰিত দৃষ্টিপাত অনুষ্ঠানত ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ চৰাইদেউ মৈদাম সন্দৰ্ভত হোৱা আলোচনাত অংশগ্ৰহণ কৰি ৰাজ্য চৰকাৰৰ প্ৰত্নতত্ত্ব বিভাগৰ সঞ্চালক ড° দীপিলেখা কুলিয়ে এইদৰে কয়। এই আলোচনাত ৰাজ্য চৰকাৰৰ খিলঞ্জীয়া জনজাতীয় বিশ্বাস আৰু সাংস্কৃতিক বিভাগৰ আয়ুক্ত সচিব ৰঞ্জন শৰ্মায়ো  অংশগ্ৰহণ কৰে। তেওঁলোকৰ লগতে চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্য ক্ষেত্ৰত অন্তৰ্ভুক্তিকৰণত বিশেষভাৱে কাম কৰি ৰাজ্য চৰকাৰৰ পৰা কৰ্মশ্ৰী বটা লাভ কৰা প্ৰত্নতত্ত্ব বিভাগৰ উপ সঞ্চালকদ্বয় নৱজিত দেউৰী আৰু চাবিনা হাচানেও এই আলোচনাত অংশগ্ৰহণ কৰে। ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰত চৰাইদেউ মৈদামক অন্তৰ্ভুক্তিৰ বাবে চৰাইদেউবাসীৰ বহুদিনীয়া আহ্বানৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় পুৰাতাত্বিক জৰীপ বিভাগ আৰু অসম চৰকাৰৰ প্ৰত্নতত্ত্ব বিভাগৰ উদ্যোগত প্ৰায় ১০-১১ বছৰ পূৰ্বে এই প্ৰক্ৰিয়া আৰম্ভ হোৱা বুলি ৰঞ্জন শৰ্মাই উল্লেখ কৰে। ২০১৯-২০ চনত ৰাজ্যৰ বিত্তমন্ত্ৰীয়ে এই প্ৰক্ৰিয়াটোৰ বাবে ২৫ কোটি টকা ধাৰ্য্য কৰাৰ পাছতেই ভাৰতীয়

পুৰাতাত্বিক জৰীপ বিভাগ আৰু অসম চৰকাৰৰ প্ৰত্নতত্ত্ব বিভাগৰ কেইবাজনো জ্যেষ্ঠ বিষয়াৰ তত্ত্বাৱধানত চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্য ক্ষেত্ৰত অন্তৰ্ভুক্তিকৰণৰ মনোনয়নৰ প্ৰক্ৰিয়া আৰম্ভ হয় আৰু ২০২৩ চনত অসমৰ মুখ্যমন্ত্ৰীৰ উপস্থিতিত কেন্দ্ৰীয় চৰকাৰক প্ৰতিবেদন দাখিল কৰা হয় বুলিও তেওঁ কয়। একেটা বৰ্ষতেই পুৰাতাত্বিক জৰীপ বিভাগে আবেদন জনোৱাৰ পাছতেই ইউনেস্কোৰ উপদেষ্টা সংগঠনৰ এজন বিশেষজ্ঞ অসমলৈ আহি মৈদামসমূহ পৰিদৰ্শন কৰে আৰু চলিত বৰ্ষত দিল্লীত হোৱা ইউনেস্কোৰ বৈঠকত চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যদা লাভ কৰে। ৰাজ্য চৰকাৰৰ প্ৰত্নতত্ত্ব বিভাগৰ সঞ্চালক মুৰব্বী ড০ দীপিলেখা কুলিয়ে ইয়াৰ বাবে অসমবাসীক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে ইউনেস্কোৰ নিৰ্দেশনাৰ মাজেৰে মৈদামস্থলীৰ সকলো কাম-কাজ চোৱাচিতা কৰা হব বুলি প্ৰকাশ কৰে।

০০০০০০০

বাংলাদেশত চলি থকা ৰাজনৈতিক অস্থিৰতাৰ মাজতে দেশখনত উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ অ'বেইদুল হাছানে পদত্যাগ কৰিছে। মুখ্য ন্যায়াধীশগৰাকীয়ে ন্যায়পালিকৰ সংস্কাৰৰ দাবীত প্ৰতিবাদৰ জোৱাৰ উঠাৰ পৰিপ্ৰেক্ষিতত পদ ত্যাগ কৰিছে। দেশখনৰ আইন, ন্যায় আৰু সংসদীয় পৰিক্ৰমা উপদেষ্টা প্ৰফেচাৰ আছিফ নজৰুলে সামাজিক মাধ্যম যোগে আইন মন্ত্ৰালয়ে মুখ্য ন্যায়াধীশগৰকাৰী পদত্যাগ পত্ৰ লাভ কৰা বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে পদত্যাগ পত্ৰখন প্ৰয়োজনীয় ব্যৱস্থাৰ বাবে ততালিকে ৰাষ্ট্ৰপতিলৈ প্ৰেৰণ কৰা হ'ব বুলি জানিবলৈ দিছে। ইয়াৰ পূৰ্বে শ্ৰীহাছানে মুখ্য ন্যায়াধীশৰ পদ ত্যাগ কৰাৰ কথা ঘোষণা কৰিছিল। বিদ্যাৰ্থী, অধিবক্তা আৰু অন্যান্যসকলে দিনৰ ১ বজাৰ ভিতৰত মুখ্য ন্যায়াধীশ আৰু ন্যায়ধীশসকলৰ পদত্যাগৰ দাবীত উচ্চতম ন্যায়ালয়ৰ চৌহদত কালি প্ৰতিবাদ সাব্যস্ত কৰিছিল।

ইপিনে, ঢাকা আৰু চট্টগ্ৰামত দেশখনৰ সংখ্যালঘু হিন্দু সম্প্ৰদায়ৰ হাজাৰ হাজাৰ লোকে কালি দ্বিতীয় দিনৰ বাবেও প্ৰতিবাদ অব্যাহত ৰাখে। এই প্ৰতিবাদী কাৰ্যসূচীৰ বাবে ঢাকাৰ শ্বাহবাগত ৩ ঘণ্টাৰো অধিক সময়ৰ বাবে যান-বাহনৰ চলাচল বন্ধ হৈ থাকে। প্ৰতিবাদকাৰীসকলে তেওঁলোকৰ ঘৰ, ব্যৱসায় আৰু মন্দিৰসমূহত দেশজুৰি চলা আক্ৰমণৰ পৰা সুৰক্ষাৰ দাবী কৰে। প্ৰতিবাদী জনতাই সংখ্যালঘুৰ ওপৰত আক্ৰমণ চলোৱা লোকসকলৰ বিচাৰৰ বাবে বিশেষ ন্যায়ধিকৰণ গঠন, সংখ্যালঘুৰ বাবে সংসদত ১০ শতাংশ আসন সংৰক্ষণ আৰু সংখ্যালঘু সুৰক্ষা আইন প্ৰণয়নকে ধৰি বিভিন্ন দাবী উত্থাপন কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত অধিক উৎপাদনক্ষম জলবায়ু অনুকূল তথা জৈৱ পুষ্টিবৰ্ধন শস্যৰ ১০৯টা প্ৰজাতি মুকলি কৰিব। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে খেতিয়ক আৰু বিজ্ঞানীসকলৰ সৈতেও মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে প্ৰকাশ কৰা মতে, মুকলি কৰিবলগীয়া ১০৯টা প্ৰজাতিৰ ভিতৰত ৩৪ বিধ ব্যাপক এলেকাত ৰোপণ কৰিব পৰা শস্য আৰু ২৭ বিধ উদ্যান শস্য আছে। ব্যাপক এলেকাত ৰোপণ কৰিব পৰা ফচলসমূহৰ ভিতৰত মিলেট, বিভিন্ন খাদ্য শস্য, দানা জাতীয় শস্য, তৈলবীজ, দাইল, কুঁহিয়াৰ,

কঁপাহ, আঁহজাতীয় শস্য আৰু অন্য সম্ভাৱনাপূৰ্ণ শস্য আছে। উদ্যান জাতীয় শস্যসমূহৰ ভিতৰত ফলমূল, শাক-পাচলি, ফুল আৰু ঔষধি গছ অন্যতম।

০০০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সুস্থ আৰু শক্তিশালী গণতন্ত্ৰৰ বাবে আলোচনা আৰু সহযোগিতাৰ বাতাবৰণ গঢ়ি তোলাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীত কালি সংসদৰ নৱনিৰ্বাচিত সদস্যসকলৰ বাবে আয়োজিত দুদিনীয়া দিক্‌দৰ্শন অনুষ্ঠানত ভাষণ দি অধ্যক্ষগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। ভাৰতৰ বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ মৰ্যাদাৰ বিষয়ে আলোকপাত কৰি শ্ৰীবিৰলাই সদস্যসকলক গণতান্ত্ৰিক আচৰণৰ সৰ্বশ্ৰেষ্ঠ মান বৰ্তাই ৰাখিবলৈ আহ্বান জনায়। তেওঁ কয় যে, সাংসদসকলৰ কাম-কাজ কেৱল ভাৰততে নহয় বৰং গোলকীয়ভাৱে পৰ্যবেক্ষণ কৰা হয় আৰু সাংসদসকলে মৰ্যাদা, শালীনতা আৰু শিষ্টাচাৰ প্ৰদৰ্শন কৰা উচিত। শ্ৰীবিৰলাই লগতে নতুন সদস্যসকলক দৃঢ়তাৰে নিজৰ দায়িত্ব গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০০০০

ৱাকফ সংশোধনী বিধেয়ক ২০২৪ৰ পৰ্যালোচনাৰ বাবে গঠন কৰা যুটীয়া সংসদীয় সমিতিয়ে সংসদৰ শীতকালীন অধিৱেশনৰ প্ৰথম সপ্তাহৰ শেষৰ দিনটোৰ ভিতৰত লোকসভাত প্ৰতিবেদন দাখিল কৰিব বুলি কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে শ্ৰীৰিজিজুৱে কয় যে, যুটীয়া সংসদীয় সমিতিয়ে এই বিষয়ত শুনানিৰ তাৰিখ প্ৰকাশ কৰিব। এই ক্ষেত্ৰত  কেৱল মুছলমান লোকসকলেই নহয়, বৰঞ্চ ইতিবাচকভাৱে সমিতিৰ কাৰ্য প্ৰণালীত অংশগ্ৰহণ কৰিব বিচৰা যিকোনো সংগঠন আৰু ব্যক্তিক আদৰণি জনোৱা হ'ব বুলি তেওঁ উল্লেখ কৰে। বিধেয়কখনক ভৱিষ্যদৰ্শী বিধেয়ক বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, মুছলমান সম্প্ৰদায়ৰ কল্যাণৰ অৰ্থে চৰকাৰে এই ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, চৰকাৰে সংসদৰ বাজেট অধিৱেশনত ৱাক্‌ফ সংশোধনী বিধেয়ক ২০২৪ উত্থাপন কৰিছিল আৰু এই বিধেয়কখন অধিক বিচাৰ-বিবেচনাৰ বাবে যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰা হৈছে।

০০০০০০০

প্ৰাক্তন বিদেশ মন্ত্ৰী কে. নটবৰ সিঙৰ যোৱানিশা দিল্লীৰ সমীপৰ গুৰুগ্ৰামত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৩ বছৰ। প্ৰাক্তন বিদেশ মন্ত্ৰীগৰাকী দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। পৰিয়ালৰ সূত্ৰই প্ৰকাশ কৰা মতে, সিঙৰ অন্তিম সংস্কাৰ আজি দিল্লীত সম্পন্ন কৰা হ'ব। নটবৰ সিঙে ৰাজস্থানৰ ভৰতপুৰ জিলাত ১৯৩১ চনত জন্মগ্ৰহণ কৰিছিল। তেওঁক ১৯৮৪ চনত পদ্মভূষণ সন্মানেৰে বিভূষিত কৰা হৈছিল। প্ৰাক্তন বিদেশ মন্ত্ৰীগৰাকীয়ে কেইবাখনো গ্ৰন্থ ৰচনা কৰিছিল।

০০০০০০০

স্বাধীনতাৰ দিৱসৰ প্ৰাকক্ষণত ৰাজ্য চৰকাৰে জনসাধাৰণক নিজ নিজ ঘৰত ৰাষ্ট্ৰীয় পতাকা উৰুৱাবলৈ আহ্বান জনাইছে। চৰকাৰে এটা বিবৃতি যোগে ৯ আগষ্টৰ পৰা ১৫ আগষ্টলৈকে সকলোকে নিজ নিজ গৃহত ৰাষ্ট্ৰীয় পতাকা উৰুৱাই স্বাধীনতা দিৱসত দেশ প্ৰেমৰ নিদৰ্শন দাঙি ধৰিবলৈ আহ্বান জনাইছে। ৰাষ্ট্ৰীয় পতাকাৰ সৈতে ছেলফি উঠি harghartiranga.com ত আপলোড কৰিবলৈও বিবৃতিটোত উল্লেখ কৰিছে।

০০০০০০০

মহানগৰীৰ কৃত্ৰিম বান সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগে জনসাধাৰণৰ পৰা পৰামৰ্শ গ্ৰহণৰ অৰ্থে এখন কাৰিকৰী সমিতি গঠন কৰিছে। কামৰূপ মহানগৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা সমিতিয়ে মহানগৰীৰ কৃত্ৰিম বানৰ সমস্যা সমাধানৰ সন্দৰ্ভত জনসাধাৰণে কিবা পৰামৰ্শ দিব বিচাৰিলে suggestionfloodmitigation@gmail.comত ই-মেইলযোগে অহা ২৪ আগষ্টৰ ভিতৰত প্ৰেৰণ কৰিব পাৰিব বুলি এখন জাননীৰ জৰিয়তে প্ৰকাশ কৰিছে।

০০০০০০০

পেৰিছ অলিম্পিকত ভাৰতৰ আনুষ্ঠানিক অভিযান মুঠ ৬টা পদকেৰে অন্ত পৰিছে। প্ৰতিযোগিতাৰ সামৰণিৰ পূৰ্বৰ দিনটোত কালি ভাৰতীয় মহিলা মল্লযোদ্ধা ৰিতিকা হুদা ৭৬ কিলোগ্ৰাম ওজন শাখাত কোৱাৰ্টাৰ ফাইনেলত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়। একেদৰে গল্ফত অদিতী অশোক আৰু দীক্ষা ডাগৰ পদকৰ দৌৰৰ পৰা বাহিৰ হৈছে।

যোৱা ২৬ জুলাইত আৰম্ভ হোৱা পেৰিছ অলিম্পিকৰ সামৰণি অনুষ্ঠান ভাৰতীয় সময় অনুসৰি আজি নিশা চাৰে ১২ বজাত আৰম্ভ হ'ব। সাৰমণি অনুষ্ঠানৰ বাবে ভাৰতীয় পতাকা বাহকৰ নাম ইতিমধ্যে ঘোষণা কৰা হৈছে। সেই অনুসৰি দুবাৰৰ অলিম্পিকৰ পদক বিজয়ী হকী তাৰকা পি আৰ শ্ৰীজেছ আৰু শ্যুটাৰ মনু ভাকেৰে ৰাষ্ট্ৰীয় পতাকা কঢ়িয়াই লৈ যাব।

ইপিনে, ক্ৰীড়া চালিছী আদালতে আগশাৰীৰ ভাৰতীয় মল্লযোদ্ধা ৱিনেশ ফোগটক অযোগ্য ঘোষণা কৰা কাৰ্যৰ বিৰুদ্ধে দাখিল কৰা আৱেদনৰ ৰায় মঙলবাৰলৈ স্থগিত ৰাখিছে। নতুন সময়সীমা অনুসৰি আপোচ বিচাৰক ড° এনাবেলে বেনেটে ১৩ আগষ্টত ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৯ বজাত ৰায়দান কৰিব। আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটী এই গোচৰৰ এটা পক্ষ আৰু ভাৰতীয় অলিম্পিক সংস্থায়ো প্ৰভাৱিত পক্ষ হিচাপে গোচৰটোত জড়িত হৈছে। জ্যেষ্ঠ অধিবক্তা হৰিশ চালভেই ক্ৰীড়া চালিছী আদালতত খেলুৱৈগৰাকীৰ হকে ওকালতি কৰিছে। গোচৰটোৰ শুনানি ইতিমধ্যে সম্পন্ন হৈছে।

০০০০০০০

অসম আৰ্চাৰী সন্থাৰ উদ্যোগত আজিৰেপৰা গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ নেহৰু ষ্টেডিয়ামত ৰাষ্ট্ৰীয় ৰেংকিং আৰ্চাৰী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ল'ৰা আৰু ছোৱালীৰ ৰিকাৰ্ভ তথা কম্পাউণ্ডৰ জুনিয়ৰ, ছাব জুনিয়ৰ আৰু ছিনিয়ৰৰ একক শাখাত প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত অলিম্পিয়ানসহ দেশৰ প্ৰায় ৩০০ জন আৰ্চাৰে অংশগ্ৰহণ কৰিব। অহা ১৮ আগষ্টত প্ৰতিযোগিতাখনৰ সামৰণি পৰিব।

০০০০০০০

News Paper REV/11-8-2024

**৩ বছৰে আঁচনি ৰূপায়নত ব্যৰ্থ অসম শিৰোনামেৰে দৈনিক অসম কাকতে অসমত শক্তি মন্ত্ৰালয়ৰ তিনি বছৰ পুৰণি আৰডিএছএছ আঁচনিখনৰ সফল ৰূপায়ন নোহোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।**

প্ৰতিবাদকাৰীৰ হেঁচাত সেও মানি বাংলাদেশৰ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশসহ তিনিজন ন্যায়াধীশে পদত্যাগ কৰাৰ বাতৰিক অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

পশ্চিম বংগ চৰকাৰৰ নিৰ্দেশত অসম-পশ্চিমবংগ সীমান্তত অসম অভিমুখী ২০০ খন ট্ৰাক আবদ্ধ হোৱাৰ বাতৰিক দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বাংলাদেশত ধৰ্মীয় সংখ্যালঘুৰ ওপৰত অত্যাচাৰৰ বিৰুদ্ধে দেশখনৰ ঢাকা আৰু চট্টগ্ৰামত সংখ্যালঘু হিন্দু সম্প্ৰদায়ৰ হাজাৰ হাজাৰ লোকে প্ৰতিবাদ কৰাৰ বাতৰিক দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে নিয়মীয়া বাৰ্তা কাকতে সংখ্যালঘুৰ সুৰক্ষাৰ দাবীত ঢাকাৰ ৰাজপথলৈ ওলাই আহিল শ শ নাগৰিক শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। ইফালে বাংলাদেশৰ সংখ্যালঘুৰ ওপৰত আক্ৰমণ বন্ধ নহ'লে দেশখনৰ নতুন অন্তৰৰ্তীকালীন চৰকাৰৰ উপদেষ্টা মহম্মদ ইউনুছে পদত্যাগৰ ভাবুকি দিয়াৰ বাতৰিক আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। সত্ৰীয়া সংস্কৃতিৰ সাধক, প্ৰচাৰ-প্ৰসাৰক তথা সাহিত্য অকাডেমি বটাপ্ৰাপক বৰপেটাৰ গুৰুপ্ৰসাদ দাসৰ দেহাৱসানৰ বাতৰিক অসমীয়া খবৰ কাকতে প্ৰকাশ কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে মিজোৰাম, নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশক ছয় সপ্তাহৰ ভিতৰত অসমৰ সৈতে তেওঁলোকৰ সীমাত থকা বনভূমিৰ বেদখল আঁতৰাবলৈ কি ব্যৱস্থা গ্ৰহণ কৰিছে সেই সম্পৰ্কে নিজ নিজ শপতনামা দাখিল কৰিবলৈ কোৱাৰ বাতৰিক দ্যা চেন্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। 61 Killed in Brazil air crash শিৰোনামেৰে ব্ৰাজিলৰ চাও পাওলোত সংঘটিত এখন বিমান দুৰ্ঘটনাগ্ৰস্ত হৈ বিমানখনত থকা ৬১ জন লোকে প্ৰাণ হেৰুৱাৰ বাতৰিক দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে-

1. পেৰিছ অলিম্পিকত ভাৰতৰ মল্লযুজাৰু অমন ছেহৰাৱটৰ ব্ৰঞ্জৰ পদক অৰ্জন

2. গুৱাহাটীত আজিৰে পৰা পূৰ্বোত্তৰ বিজেপিৰ দুদিনীয়া সাংগঠনিক বৈঠক

3. ঠিকাভিত্তিক শিক্ষকৰ নিয়মীয়াকৰণত নতুন চৰ্ত, বৈষম্যৰ অভিযোগ একাংশ টেট শিক্ষকৰ আদি।

এয়াই আছিল আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

0000000

**সমাপ্ত**